# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 04-09-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। জি এছ্ টি পৰিষদে সাধাৰণ জনতা, কৃষক আৰু কৃষি, স্বাস্থ্য, শ্ৰমিক, উদ্যোগী তথা অৰ্থনীতিৰ মূল খণ্ডসমূহত গুৰুত্ব আৰোপ কৰি জি এছ্ টি হাৰৰ যুক্তিগত সংস্কাৰ সাধনত অনুমোদন দিছে।

২। অৰুণাচল প্ৰদেশৰ ইটানগৰত আজি তৃতীয় পূৰ্বোত্তৰ বিমান পৰিবহন সন্মিলন অনুষ্ঠিত হ'ব।

৩। ট্ৰাম্পৰ শুল্ক ব্যৱস্থাই ভাৰতত বিপৰীত প্ৰতিক্ৰিয়াৰহে সৃষ্টি কৰিছে বুলি আমেৰিকাৰ সংবাদ মাধ্যমসমূহে প্ৰকাশ কৰিছে।

৪। অসম অলিম্পিক সন্থাই কালি অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিনৰ সৈতে সংগতি ৰাখি কেইবাটাও শিতানত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ক্ৰীড়া বঁটা প্ৰৱৰ্তন কৰিছে।

*আৰু*

৫। ইংলেণ্ডৰ লিভাৰ পুলত আজি চলিত বৰ্ষৰ বিশ্ব বক্সিং চেম্পিয়নশ্বিপ আৰম্ভ হ'ব।

ooooo

সামগ্ৰী আৰু সেৱাকৰ চমুকৈ জি এছ্ টি পৰিষদে সাধাৰণ জনতা, কৃষক আৰু কৃষি, স্বাস্থ্য, শ্ৰমিক, উদ্যোগী তথা অৰ্থনীতিৰ মূল খণ্ডসমূহত গুৰুত্ব আৰোপ কৰি জি এছ্ টি হাৰৰ যুক্তিগত সংস্কাৰ সাধনত অনুমোদন দিছে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সাধাৰণ লোক আৰু মধ্যবিত্ত সামগ্ৰীসমূহৰ ওপৰত থকা জি এছ্ টিৰ পৰিমাণ পূৰ্বৰ ১৮ অথবা ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। তেওঁ কয়, যে সকলোবোৰ ব্যক্তিগত জীৱনবীমা আঁচনি, স্বাস্থ্য বীমা আঁচনি তথা জ্যেষ্ঠ নাগৰিকৰ বাবে থকা আঁচনিসমূহৰ ক্ষেত্ৰত থকা জি এছ্ টি উঠাই লোৱাৰ বাবে জি এছ্ টি পৰিষদে অনুমোদন জনাইছে। নৱৰাত্ৰীৰ প্ৰথম দিনটোৰ পৰাই অৰ্থাৎ অহা ২২ ছেপ্তেম্বৰ পৰাই এই পৰিৱৰ্তনসমূহ কাৰ্যকৰী হ'ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমতী সীতাৰমনে কয়, যে সাধাৰণ লোকসকলৰ বাবে বীমাৰ সুবিধা সুলভ কৰাৰ উদ্দেশ্যে জি এছ্ টিৰ এই সংস্কাৰ কৰা হৈছে। শ্ৰীমতী সীতাৰমনে কয়, যে জীৱন ৰক্ষাকাৰী ৩৩ প্ৰকাৰৰ ঔষধৰ ক্ষেত্ৰত থকা ১২ শতাংশ জি এছ্ টি সম্পূৰ্ণ ৰূপে উঠাই দিয়া হৈছে। সেইদৰে কৰ্কট ৰোগ তথা অন্যান্য জটিল ৰোগৰ চিকিৎসাত ব্যৱহৃত হোৱা ঔষধৰ ক্ষেত্ৰত থকা ৫ শতাংশ জি এছ্ টি সম্পূৰ্ণ ৰূপে উঠাই দিয়াৰ কথাও বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। অন্যান্য ঔষধৰ ক্ষেত্ৰত থকা জি এছ্ টিৰ পৰিমাণ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। সেইদৰে চিকিৎসাত ব্যৱহৃত বিভিন্ন সা-সঁজুলি আৰু শৈল্য চিকিৎসা, দন্ত চিকিৎসা, পশু চিকিৎসা আদিৰ ক্ষেত্ৰত ব্যৱহৃত যন্ত্ৰপাতিৰ ওপৰত থকা জি এছ্ টিৰ পৰিমাণ ১৮ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

০০০০০

অৰুণাচল প্ৰদেশৰ ইটানগৰত আজি তৃতীয় পূৰ্বোত্তৰ বিমান পৰিবহন সন্মিলন অনুষ্ঠিত হ'ব। এই সন্মিলন হৈছে অসামৰিক বিমান পৰিবহন সন্দৰ্ভত উত্তৰ পূৰ্বাঞ্চল খণ্ডৰ মন্ত্ৰীসকলৰ সন্মিলন। এই সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ পৰিবহন মন্ত্ৰী, নীতি নিৰ্মাতা আৰু ঔদ্যোগিক নেতাসকলে অংশগ্ৰহণ কৰিব। তেওঁলোকে আঞ্চলিক যোগাযোগ বৃদ্ধি কৰা তথা এই খণ্ডত বিমান পৰিবহনৰ সম্ভাব্য অন্যান্য দিশসমূহ উন্নত কৰা সন্দৰ্ভত কেন্দ্ৰীয় বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডু কিঞ্জাৰাপু আৰু ৰাজ্যমন্ত্ৰী মুৰলীধৰ মহলৰ সৈতে আলোচনা কৰিব। সন্মিলনত সম্প্ৰতি বিদ্যমান আৰু নতুন বিমান বন্দৰৰ সম্প্ৰসাৰণ আঁচনি, হেলিকপ্তাৰ সেৱাৰ প্ৰসাৰ, সৰু বিমান, ড্ৰোণৰ লগতে বিমানৰ মেৰামতিকে ধৰি বিভিন্ন বিষয়ত আলোচনা অনুষ্ঠিত হ'ব।

অসম আৰু মেঘালয়ৰ পাছত অৰুণাচল প্ৰদেশ চৰকাৰে প্ৰথম বাৰৰ বাবে এই সন্মিলনৰ আয়োজন কৰিছে। অসামৰিক বিমান পৰিবহন মন্ত্ৰালয় আৰু ফেডাৰেচন অব ইণ্ডিয়ান চেম্বাৰ্ছ অব কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীৰ যৌথ উদ্যোগত এই সন্মিলনৰ আয়োজন কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু কেন্দ্ৰীয় মহিলা তথা শিশু উন্নয়ন মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে নতুন দিল্লীৰ বিজ্ঞান ভৱনত বিদ্যালয়সমূহৰ সৈতে অংগনবাড়ী কেন্দ্ৰসমূহৰ সহাৱস্থানৰ নিৰ্দেশাৱলী উন্মোচন কৰে। শ্ৰীপ্ৰধানে কয়, যে এই পদক্ষেপে প্ৰতিগৰাকী মাতৃ আৰু শিশুৰ যত্ন সুনিশ্চিত কৰাৰ লগতে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ সৈতে সংগতি ৰাখি শিক্ষণ পদ্ধতিৰ ভেঁটি সুনিশ্চিত কৰিব। তেওঁ লগতে কয়, যে নিৰ্দেশনাৱলীত শিশুৰ অংগনবাড়ীৰ পৰা বিদ্যালয়লৈ পৰিৱৰ্তন, উন্নত স্বাস্থ্য আৰু পুষ্টি প্ৰাথমিক শিক্ষাৰ গতি ত্বৰান্বিত কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে ঘোষণা কৰে যে, তিনি বছৰৰ ভিতৰত সমগ্ৰ দেশৰ প্ৰায় ২ লাখ বিদ্যালয় ব্ৰডবেণ্ড সেৱাৰ সৈতে সংযুক্ত হ'ব আৰু ইয়াৰ ফলত ডিজিটেল শিক্ষণ পদ্ধতিৰ উন্নয়ন সম্ভৱ হ'ব। শ্ৰীপ্ৰধানে জনসাধাৰণৰ অংশগ্ৰহণ আৰু নিপুন ভাৰত তথা পৰিপুষ্টিৰ লগতে শিক্ষাৰ দৰে পদক্ষেপসমূহৰ একত্ৰিকৰণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০

জম্মু-কাশ্মীৰৰ ৰিয়েছি জিলাৰ চালাল বান্ধৰ ওপৰৰ অংশত বিগত কেইবাদিনো ধৰি হৈ থকা প্ৰৱল বৰষুণৰ প্ৰতি লক্ষ্য ৰাখি কৰ্তৃপক্ষই বান্ধটোৰ আটাইকেইখন গেট খুলি দিছে। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা মতে বান্ধটোৰ সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত সতৰ্কতামূলক ব্যৱস্থা হিচাপে তথা ইয়াৰ ওপৰেৰে বৈ যোৱা পৰ্যাপ্ত পৰিমাণৰ পানী নিয়ন্ত্ৰণৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। বান্ধটোৰ পৰা পানী এৰি দিয়াৰ ফলত চেনাব আৰু ইয়াৰ উপনদীসমূহৰ পানী বৃদ্ধি হোৱাৰ আশংকা কৰা হৈছে। ইয়াৰ ফলত নদীৰ নামনি অংশৰ লগতে ইয়াৰ পাৰত থকা গাঁওসমূহ ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা কৰা হৈছে। এনে সম্ভাব্য পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উদ্ধাৰ আৰু সাহায্য বাহিনী সাজু কৰি ৰখাৰ লগতে কৰ্তৃপক্ষই যিকোনো ধৰণৰ দুৰ্ঘটনা প্ৰতিহত কৰাৰ বাবে পৰিস্থিতি নিৰন্তৰ নিৰীক্ষণ কৰি আছে।

০০০০০

মহাৰাষ্ট্ৰৰ পালঘৰ জিলাত এটা অট্টালিকা ভাঙি ১৭ জন লোকৰ মৃত্যু হোৱাৰ ঘটনাক লৈ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে ৰাজ্যখনৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানলৈ জাননী জাৰি কৰিছে। সংবাদ মাধ্যমৰ বাতৰিৰ ওপৰত ভিত্তি কৰি আয়োগে দুসপ্তাহৰ ভিতৰত বিশদ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। যদি বাতৰিৰ বিষয়বস্তু সঁচা হয় তেন্তে এয়া মানৱ অধিকাৰ উলংঘা হোৱা এটা দুৰ্ঘটনা হ'ব বুলি আয়োগে উল্লেখ কৰে। সংবাদ মাধ্যমত প্ৰচাৰ কৰা অনুসৰি এই ঘটনাত সোতৰজন লোকৰ মৃত্যু হোৱাৰ লগতে ৮ জন লোক আহত হৈছে। তদুপৰি নিম্নমানৰ নিৰ্মাণ সামগ্ৰী ব্যৱহাৰৰ বাবে অট্টালিকাটো ভাঙি পৰিব পাৰে বুলি আশংকা কৰা হৈছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে কালি ভাৰতৰ সৈতে থকা বাণিজ্যিক সম্পৰ্কৰ বিষয়ে পুনৰ সমালোচনা কৰাৰ পিছত আমেৰিকাৰ সংবাদ মাধ্যমসমূহে কৈছে যে, ট্ৰাম্পৰ শুল্ক ব্যৱস্থাই ভাৰতত বিপৰীত প্ৰতিক্ৰিয়াৰহে সৃষ্টি কৰিছে।

দ্যা ৱাল্ ষ্ট্ৰীট জাৰ্ণেলে ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰাৰ বাবে ভাৰতত আমেৰিকাৰ শুল্কৰ প্ৰভাৱ বিষয়ক এটি চমু বিৱৰণী প্ৰকাশ কৰিছে। ইয়াৰ শিৰোনাম হৈছে- **ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰাৰ জৰিমণা হিচাপে ট্ৰাম্পে ভাৰতত শুল্ক বৃদ্ধি কৰিছে যদিও ইয়াৰ বিপৰীত প্ৰতিক্ৰিয়া কিয় দেখা গৈছে।** এই সন্দৰ্ভত বিশ্লেষক কেৰল ৰিয়ানে কৈছে, যে প্ৰাৰম্ভিক অৱস্থাত এই নতুন শুল্ক ব্যৱস্থাই ভাৰতীয় ক্ৰেতাসকলক ভীতিগ্ৰস্থ কৰিছিল, যাৰবাবে তেওঁলোকে অনুমোদিত ৰাছিয়াৰ খাৰুৱা তেল বিক্ৰী কৰাৰ লগতে মধ্য প্ৰাচ্যৰ পৰা তেলৰ অৰ্ডাৰ দিবলৈ বাধ্য হৈ পৰিছিল। অৱশ্যে ৰাছিয়াই ভাৰতীয় গ্ৰাহকসকলক পুনৰ ঘূৰাই পোৱাৰ বাবে নিজৰ তেলৰ মূল্য হ্ৰাস কৰে বুলিও তেওঁ মন্তব্য কৰে। তেওঁলোকে এই বুলিও দাবী কৰিছে যে, ভাৰত চৰকাৰেও ৰাছিয়াৰ পৰা তেল ক্ৰয় অব্যাহত ৰখাৰ বাবে সেউজ সংকেত দিছে, যাৰ ফলত খাৰুৱা তেলৰ প্ৰবাহ স্বাভাৱিক হ'বলৈ আৰম্ভ কৰিছে।

০০০০০

মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কালি কয়, যে ইণ্ডি মিত্ৰজোঁটে প্ৰকৃততে বিহাৰত আগ্ৰাসন কৰিব নোৱাৰাৰ বাবে হতাশাত প্ৰধানমন্ত্ৰী মোডীৰ প্ৰয়াত মাতৃৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে এনে মন্তব্যক গৰিহণা দি কয়, যে এই অপমানজনক মন্তব্য কোনেও সহ্য নকৰে। বিৰোধী পক্ষই ইয়াৰ বাবে এবাৰো ক্ষমা বিচৰা নাই বুলি অভিযোগ কৰি শ্ৰীদেৱীয়ে তেওঁলোকৰ কোনো অনুশোচনা বা আক্ষেপ নাই বুলি কয়। এইবাৰ বিহাৰৰ মহিলাসকলে তেওঁলোকক উপযুক্ত উত্তৰ দিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

অসম অলিম্পিক সন্থাই এছিয়ান গেমছত অসমৰ প্ৰথম স্বৰ্ণ পদক বিজয়ী ভোগেশ্বৰ বৰুৱাৰ উত্তৰাধিকাৰক সন্মান জনাই ভোগেশ্বৰ বৰুৱা ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা প্ৰৱৰ্তন কৰে। কালি গুৱাহাটীত অনুষ্ঠিত এটা অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই বঁটা

প্ৰদান কৰে। অৰ্জুন বঁটা প্ৰাপক ভোগেশ্বৰ বৰুৱাৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ৬টা শিতানত এই বঁটা প্ৰদান কৰা হ'ব। শ্ৰেষ্ঠ ক্ৰীড়াবিদ, উদীয়মান খেলুৱৈ, জীৱনজোৰা সাধানাৰ বাবে ৰাষ্ট্ৰীয় তথা ৰাজ্যিক পৰ্যায়ত এই বঁটা প্ৰদান কৰা হ'ব। প্ৰথমবাৰৰ বাবে এই বঁটা কালি বিভিন্ন শিতানৰ কেইবাগৰাকীও খেলুৱৈক প্ৰদান কৰা হয়। অলিম্পিকৰ পদক বিজয়ী মনু ভাকেৰক ৰাষ্ট্ৰীয় পৰ্যায়ৰ শ্ৰেষ্ঠ ক্ৰীড়াবিদ বঁটা প্ৰদান কৰা হয়। ফুটবল খেলুৱৈ সুনীল চেত্ৰীক জীৱনজোৰা সাধনাৰ বঁটা প্ৰদানৰ লগতে বেদব্ৰত ভৰালীক উদীয়মান খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়। ৰাজ্যিক পৰ্যায়ত লাভলীনা বৰগোহাঁইক শ্ৰেষ্ঠ ক্ৰীড়াবিদ, দীপাংকৰ ভট্টাচাৰ্যক জীৱনজোৰা সাধনা বঁটা আৰু সাঁতোৰবিদ প্ৰিয়ানুজ ভট্টাচাৰ্যক উদীয়মান খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, ১৯৬৬ চনত বেংককত অনুষ্ঠিত এছিয়ান গেমচত ৮০০ মিটাৰ দৌৰত স্বৰ্ণ পদক দখল কৰি ইতিহাস ৰচনা কৰা ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে এই বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়।

ooooo

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি নতুন দিল্লীত বহনক্ষম ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়নৰ বাবে উদ্ভাৱনীমূলক নীতি গ্ৰহণ সন্দৰ্ভত এখন পৰামৰ্শমূলক কৰ্মশালাত অধ্যক্ষতা কৰে। এই কৰ্মশালাত বিশ্বমানৰ বহনক্ষম আৰু ভৱিষ্যতৰ বাবে সাজু পৰিবহন আন্তঃগাঁথনি সৃষ্টি কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত আলোকপাত কৰাৰ লগতে বিশেষকৈ বৰ্ধিত নগৰাঞ্চলৰ চৌপাশে যান-বাহনৰ ভিৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়।

ooooo

ইংলেণ্ডৰ লিভাৰ পুলত আজি চলিত বৰ্ষৰ বিশ্ব বক্সিং চেম্পিয়নশ্বিপ আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত ২০ জনীয়া ভাৰতীয় দলে অংশগ্ৰহণ কৰিব। দুবাৰকৈ বিশ্ব চেম্পিয়ন হোৱা নিখাট জৰীন আৰু টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা লাভলীনা বৰগোহাঁইয়ে এবছৰৰ বিৰতিৰ পিছত পুনৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ ঘূৰি আহিছে। ২০২১ চনৰ বিশ্ব যুৱ চেম্পিয়নশ্বিপৰ খিতাপ দখল কৰা শচীন ছিৱাছ আৰু হৰ্ষ চৌধুৰীৰ লগতে যদুমণি সিং, মনদেংবাম, হিতেশ গুলীয়া আৰু অবিনাশ জামৱাল আদি নতুন খেলুৱৈয়ে ভাৰতৰ পুৰুষ দলটোৰ হৈ উৎকৃষ্ট প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে।

ooooo

**সমাপ্ত**